**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-01-2025 **Time :** 1715 Hrs.

## Assamese Evening Bulletin

-------------

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। গণৰাজ্য দিৱসৰ পেৰেডৰ বাবেও ইতিমধ্যে অনুশীলন সম্পূৰ্ণ হৈছে। পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গণৰাজ্য দিৱস উদযাপনৰ বাবে সমগ্ৰ চহৰখনেই সুন্দৰভাৱে সজাই-পৰাই তোলা হৈছে। ইপিনে, খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থাকে ধৰি যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চিৰাং জিলাতো গণৰাজ্য দিৱসৰ ব্যাপক প্ৰস্তুতি চলিছে। জিলাখনৰ কাজল গাঁৱৰ পেৰেড গ্ৰাউণ্ডত গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। পেৰেডৰ অনুশীলন পৰ্যৱেক্ষণ কৰি জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ড০ ৰশ্মিৰেখা শৰ্মাই আজি সংবাদ মাধ্যমৰ আগত কয়, যে চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত গণৰাজ্য দিৱসৰ পেৰেড কাৰ্যসূচীত আৰক্ষী, সশস্ত্ৰ সীমা বাহিনীৰ উপৰি বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ ১৪টা দল সাজু কৰি তোলা হৈছে। গণৰাজ্য দিৱসৰ পৰিপ্ৰেক্ষিতত ভাৰত-ভূটান সীমান্ত এলেকাকে ধৰি জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

বৰপেটা জিলাত গণৰাজ্য দিৱসৰ অংশ হিচাপে হ'বলগীয়া মাৰ্চপাষ্টৰ বাবে অসম আৰক্ষীৰ বিভিন্ন বাহিনীৰ লগতে শিক্ষানুষ্ঠানৰ এন চি চিৰ কেডেটসকলে আখৰা অব্যাহত ৰাখিছে। বৰপেটা জিলাৰ পৌৰ সভাৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। অনুষ্ঠানত চৰকাৰৰ বিভিন্ন বিভাগসমূহেও নিজ নিজ আঁচনি ৰূপায়ণ কাৰ্যাৱলী প্ৰদৰ্শন কৰিব।

০০০০০০০

গণৰাজ্য দিৱসৰ প্ৰস্তুতি হিচাপে অসম আৰক্ষীয়ে গুৱাহাটীৰ লতাশিল আৰু পানবজাৰ অঞ্চলৰ বিভিন্ন পথেৰে কাইলৈ বিয়লি প্ৰাক্-গণৰাজ্য দিৱসৰ বিশেষ কুচকাৱাজৰ আয়োজন কৰিছে। কুচকাৱাজৰ এই সময়ছোৱাত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু সালসলনি ঘটোৱা হৈছে। সেই অনুসৰি লতাশিল খেলপথাৰৰ পৰা কুচকাৱাজ আৰম্ভ হোৱাৰ পাছত এম জি পথেৰে ভৰলুমুখৰ পৰা অহা সকলো বাহনে তাৰকাগৃহ পইণ্ট অভিমুখে যাব লাগিব। কুচকাৱাজে তৈয়বুল্লা পথ অতিক্ৰম কৰাৰ পাছত এই বাধা নাথাকিব। কুচকাৱাজ জিলা পুঁথিভৰাল অভিমুলখে অগ্ৰসৰ হোৱাৰ পাছত এ টি ৰোডৰ পৰা জি এন বি ৰোডেৰে পানবজাৰলৈ অহা বাহনসমূহ এ আৰ বি পথ হৈ আৰক্ষী আয়ুক্ত পইণ্টৰ দিশে যাব পাৰিব। কে এল বি পথেৰে কুচকাৱাজ অগ্ৰসৰ হোৱাৰ সময়ত টি চি পইণ্টৰ দিশৰ পৰা জি এন বি পথেৰে অহা বাহনসমূহে জিলা পুঁথিভৰাল পইণ্টত দিশ সলনি কৰি ৰিজাৰ্ভ বেংকৰ দিশে যাব পাৰিব। ভৰলুমুখৰ ফালৰ পৰা অহা বাহনসমূহৰ দিশ কটন

কলেজিয়েট পথত সলনি কৰি এইছ্ বি পথেৰে যাব পাৰিব। জিলা পুঁথিভৰালৰ দিশৰ পৰা অহা বাহনসমূহ এইছ্ বি পথেৰে আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ দিশে যাব পাৰিব। আনহাতে, ৰাজভৱন-উজান বজাৰৰ পৰা অহা বাহনসমূহে তাৰকাগৃহ পইণ্টত গতিপথ সলাই লেম ৰোড হৈ আমবাৰীৰ দিশে যাব পাৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ জাপান ভ্ৰমণৰ তৃতীয় দিনা দেশখনৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সংসদীয় উপমন্ত্ৰী আকিকু ইকুইনাকে ধৰি কেইবাগৰাকীও শীৰ্ষ উদ্যোগপতিক সাক্ষাৎ কৰে। ড০ শৰ্মাই সংসদীয় উপমন্ত্ৰীগৰাকীৰ সৈতে হোৱা সাক্ষাৎকালত ভাৰত তথা অসমৰ যুৱ আৰু দক্ষ কৰ্ম শক্তিক জাপানত কাম কৰাৰ সুযোগ প্ৰদান সন্দৰ্ভত মত বিনিময় কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে দেশখনৰ এটা আগশাৰীৰ বিত্তিয় প্ৰতিষ্ঠান, মিঝুহু ছিকিউৰিটিজ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত অসমৰ কোম্পানীসমূহলৈ ক্ৰেডিট সুবিধা প্ৰদান আৰু জাপানী কোম্পানীৰ অসমত বিনিয়োগৰ ধাৰাবাহিকতা নিশ্চিত কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই জাপানী বৈদ্যুতিক অভিযান্ত্ৰিক প্ৰতিষ্ঠান য়'ক'গাৱাৰ উপাধ্যক্ষ য়োছিয়াকি আছাকুৰাৰ সৈতেও বৈঠকত মিলিত হয়। নুমলীগড় শোধনাগাৰ আৰু ভাৰতীয় তৈল নিগম লিমিটেডৰ সৈতে সহযোগিতামূলকভাৱে অসমত কাম কৰি থকা এই প্ৰতিষ্ঠানটোক ৰাজ্যৰ ক্ৰমবৰ্ধমান বৈদ্যুতিক আৰু শক্তিখণ্ডক সমৰ্থন আগবঢ়াবলৈ মুখ্যমন্ত্ৰী শৰ্মাই অনুৰোধ জনায়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত মুখ্যমন্ত্ৰীয়ে টকিঅ' ইলেকট্ৰন নামৰ প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী উপাধ্যক্ষক সাক্ষাৎ কৰে।

০০০০০০০

সমগ্ৰ দেশজুৰি আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হৈছে। সমাজত কন্যা শিশুসকলৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ জানুৱাৰীত এই দিৱস পালন কৰি অহা হৈছে। অসমতো আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত চহৰৰ পৱিতৰা হাট প্ৰেক্ষাগৃহত এই উপলক্ষে এখন সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ তপন শইকীয়াই সভাপতিত্ব কৰা এই সভাত মৰিগাঁও আদালতৰ জ্যেষ্ঠ অধিবক্তা অলকানন্দ কাকতিয়ে ভ্ৰূণ হত্যাৰ অপৰাধ, কন্যা সন্তান সুৰক্ষা বিষয়ক আইন সন্দৰ্ভত ভাষণ দিয়ে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

**সমাপ্ত**